কবিতা

# মস্তিষ্কবোৰ বিক্ৰী কৰি দিয়া হওঁক

চাৰুপ্ৰভা চলিহা
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ

মস্তিষ্কবোৰ বিক্ৰী কৰি দিয়া হওঁক
আজি এতিয়াই
চকুবোৰত ক'লা ডাঠ চানি পৰক
হাতবোৰ অধঃনমিত হৈ
কেৰেলুৱাৰ দৰে
বগাই যাওঁক
টেবুলৰ তলৰ আন্ধাৰেৰে

হৃদয়খন নিৰ্বাসন দি
সুগুহীন শৰীৰেৰে
নাঙঠ হৈ বিচৰণ কৰো আহা
সকলোৱে নৰ্দমাৰ বোকা ঠেলি-ঠেলি

ক্ৰমশ ঃ আমি আন্ধাৰৰ পথে
আগুৱাই গৈছো
ভৱিষ্যতহীন ভৱিষ্যতৰ ফালে
সূৰ্যৰ উত্তাপৰ দৰে তীব্ৰ
আলোক
সত্যক লুকুৱাই
মস্তিষ্কবোৰ বিক্ৰী কৰি দিছো
হৃদয়খন নিৰ্বাসন দিছো
নাঙঠ হৈ মাথো
ঘূৰ্মুটিয়াই ফুৰিছো
মাথো ফুৰিছো। ■



# দুৰ্ভগীয়া মায়ং

**(৮০ আৰু ৯০ ৰ দশকৰ মায়ঙৰ সামগ্ৰিক অৱস্থাক কেন্দ্ৰ কৰি লিখা ব্যংগ কবিতা)**

শ্ৰীপৱন কুমাৰ বিষয়া
সহকাৰী অধ্যাপক, ৰাজনীতি বিজ্ঞান বিভাগ

(১)
দুৰ্ভগীয়া আজি মায়ংখন অতি
দুৰ্দশাৰ সীমা নাই,
ক'ই থাকিলেওঁ ওৰকে নপৰে
দাৰিদ্ৰ্যৰ কথা হায়।

(২)
কুৰি শতিকাতো মায়ং বাসীৰ
স্থায়ী ৰাস্তাও নাই,
চাইকেল মাৰি খোজেৰেই ঘূৰি
ফুৰিছে উজুটি খায়।

(৩)
শিলকো নেদেখা মাটিওঁ নপৰা
ৰাস্তাই থাকে চাই,
নাঁৰবো নহয় বামৰো নহয়
মায়ঙৰ কি বিলায়।

(৪)
বছৰি সাজে আমাৰ দলং,
ঠিকাৰো হিচাব নাই,
আয়ুস মাথোন দুই এবছৰ
খুটাওঁ সুলকি যায়।

(৫)
বৰষুণ দিলে বোকাৰ ৰাজত্ব
চেণ্ডেল নালাগে ভাই,
ধূলিৰ কথাটো ক'বই নালাগে
উশাহ বন্ধহৈ যায়।



(৬)
জুৰুলি জুপুৰী খেতিয়ক ভাই
বানৰ কোপত পৰি,
ৰাস্তা পদূলি বজাৰ সমাৰ
পানীৰেই যায় ভৰি।

(৭)
আহু বড়ো শালি মাহ সৰিয়হ
সকলো খেতিকে কৰে,
তথাপি দেখোন খাবওঁ নোজোৰে
পেটৰ ভোকতে মৰে।

(৮)
স্কুল কলেজ অফিছ কাছাৰী
তেনেই সীমিত ভাই,
অফিছ থাকে মানুহ নাথাকে
'ফাইলো' উঁইয়ে খায়।

(৯)
হচ্‌পিটাল থাকে ডাক্তৰ নাথাকে
পিছপৰা মায়ং বুলি
মায়ং নেতাৰ অন্ত নাইকিয়া
গপতে থাকে ফুলি।

(১০)
পানী যোগানৰো ব্যৱস্থা আছে
কামৰ কথাই নাই,
পানীৰ নলাত মাটিত ৰাজত্ব
চাবৰো মানুহ নাই।

(১১)
পবিতৰা নামে    অবণ্য এখন
মায়ঙতে আছে পৰি,
বখীয়া পৰীয়া    হিচাব বিহীন
মাহে থাকে গড় মৰি।

(১২)
নকৈও নোৱাৰো    জলসিঞ্চনৰ কথা
কলেও লাগিব দায়,
ড্ৰেইনেও থাকে    মুখমেলি চাই
খাবৰো পানী নাই।

(১৩)
এজিপিও আছে    বিজেপিও আছে
কংগ্ৰেছী কথাই নাই,
নিৰ্বাচন গ'লে    বিচাৰি নোপোৱা
আমাৰ নেতাক ভাই।

(১৪)
চৰকাৰ আছে    সুবিধাও আছে
মায়ঙৰ পিনে নাই,
সৌভাগ্যৰ চকৰি    নুঘুৰে আমাৰ
ঘুৰাবো আশা নাই

(১৫)
কৈ থাকিলেও    ওৰকে নপৰে
দুভাৰ্গ্যৰে কথা হায়,
আজিও আছে    মায়ংবাসীয়ে
অভাৱতে পোত খায়। ■

# চিন্তন

চন্দ্ৰকান্ত বৰা
গ্ৰন্থাগাৰিক



জখলাত বগাই কুৰিটা খপলা
পালোহি ইয়াত এক পৰিপূৰ্ণতা
পূৰ্ণতানে শূন্যতা য'ত বহু থাকিও
একো নাইকিয়া?
একৈশ শতিকাত বিজ্ঞানৰ চৰম উন্নতি
মঙ্গললৈকে উৰিছে মানুহৰ মন;
মানুহৰ মনতেই গঢ় লৈ উঠিছে
একো একোটা এটম ব'ম।
ভৌগোলিকীকৰণৰ দিনত ঠেক হৈ আহিছে পৃথিৱী
ঠেক হৈ আহিছে মানুহৰ মন,
পণ্য সামগ্ৰীৰ দৰে সস্তীয়া হৈ আহিছে
মানুহৰ জীৱন
জখলাত বগাই কুৰিটা খপলা
পালোহি ইয়াত এক পৰিপূৰ্ণতা
পদে পদে কিয় জখলা ভঙাৰ আশংকা
আমি যেন পদে পদে আগুৱাই আছো
য'ৰ পৰা আৰম্ভ কৰিছিলো আমাৰ যাত্ৰা। ■



# তোমাক পাহৰো যদি


শ্ৰীপূৰবী দেৱী
প্ৰাক্তন ছাত্ৰী

তোমাক পাহৰো যদি
তোমাৰ বুকুৰ মৰমত জী উঠিছিল
মোৰ অন্য এটা জীৱন।
কি মৰমৰ, কি হেঁপাহৰ
লগৰীয়াৰ সতেও দেখোন
সহজেই পূজা কৰিবলৈ পৰিছিলো
দুচকু মুদি নিষ্ঠুৰ হৈ
মনত পৰে সেই যে অংকৰ সূত্ৰই সূত্ৰই
জোকাৰি থকা এচাবি ডাল
প্ৰচণ্ড প্ৰচণ্ড কেইটামান কোব
কেইটামান কাণতাল মৰা চৰ
আৰু বুকু কঁপি যোৱা চাৱৰ
ভয় লগা চিত্ৰৰ।
তোমাতেই বিচাৰি পাওঁ যেন
এটা জীৱনৰ এসোপামান মন্ত্ৰ
এটা সপোন ভৰা জীৱন।
তোমাক পাহৰিব নোৱাৰিম....
তুমি আমাৰ জ্ঞানৰ ভঁড়াল।
লভিলো ইয়াতেই নানা অভিজ্ঞতা
জগালো অন্তৰত 'মানৱতা'।
ভৱিষ্যতৰ সপোন ইয়াতেই গঢ়িছো।
তুমি আমাৰ জীৱনৰ পবিত্ৰ স্থান।
হিন্দু, মুছলমান....
ইয়াতে আমি সকলো সমান।
তোমাৰ আদৰ্শ পায়েই লিখিব ল'লে
মোৰ সোঁ হাতৰ তৰ্জনীয়ে
এটা পকা বন্ধা ডায়েৰীৰ বুকুত
এয়াই জ্ঞানৰ মন্দিৰ
এজাক বিদ্যাৰ বৰষুণ।
জীৱনৰ অন্তগামী ক্ষণত হ'লেও
এবাৰ লৈ যাম অমৰ হোৱা তুমি
মায়ং আঞ্চলিক মহাবিদ্যালয়
তুমি অমৰ হৈ ৰোৱা। ■

# প্ৰেয়সী

শ্ৰীউৎপল শইকীয়া
৪ৰ্থ ষান্মাসিক

প্ৰেয়সী
তুমি আহিছিলা মাদকতা ভৰা
মোৰ প্ৰেয়সী,
যাৰ উঠন কম্পনত
এজাক গাঁৱৰ যুৱকৰ যৌৱনত
নিৰবচ্ছিন্ন জোৱাৰ উঠিছিল।
সেই যৌৱনৰ জোৱাৰত তোমাৰ বাবে
ঘৰৰ মানুহৰ অশান্তি,
আৰু পাৰ হৈ যোৱা তোমাৰ যৌৱনত
ঘৰৰ মানুহৰ গাত
শিহৰণ উঠিছিল।
তোমাৰ প্ৰেমত কাৰাৰুদ্ধ আছিল
এজাক গাঁৱৰ যুৱক,
এতিয়া তুমি ঠিকেই কৰিলা,
এজনৰ সতে সংসাৰ কৰিলা।
কিমানৰ প্ৰেয়সী হ'বা?
কিমানক আৰু হৃদয় দিবা?
কিমানৰ হ'বা সঁচা প্ৰেৰণা? ■



# প্ৰতিচ্ছবি

দ্বীপ শিখা ডেকা
প্ৰাক্তন ছাত্ৰী

হৃদয়ৰ সৃষ্টিত
বিশ্বৰ সকলো সৌন্দৰ্য আহি
সুশোভিত কৰিছে
তোমাৰ দেহ বলক
অমৃতৰ সৌৰভ লাগি
বিকশিত হ'ল প্ৰেমপুষ্প
অনন্ত কালৰ বাবে
নিৰ্জন প্ৰকৃতিৰ মৌন কোলাহল
বিমানত অনন্তৰাগৰ সুৰধ্বনি
জ্যোতিষ্মান হ'ল নিবৰ নিশাৰ
দিগন্ত ৰেখা
মধুৰ আবেশে দৃপ্তিমান
প্ৰেমৰ অনন্ত ধ্বজা।
ঢৌ খেলি থকা মুহূৰ্তবোৰ
সাৱটি ধৰিলে
সদ্য মোহনীয় তোমাৰ প্ৰতিচ্ছবি
অনন্ত কালৰ ছন্দময় সুন্দৰ মুক্তিৰে
আকোঁৱালি ল'লো
সেই মোহন মুৰুতি। ■



# মৃত্যু কেতিয়া আহে

ৰুমী কলি
প্ৰথম বাৰ্

মৃত্যুক নোৱাৰো দলিয়াই পেলাব আমি
নাজানো কাক কেতিয়া মৃত্যুৱে ল'ব আকোঁৱ
হাঁহি মাতি থকা দিন এটাৰ কথা,
হঠাতে আহিল মৃত্যুৰ এক ভয়ানক বতাহ।
শুই থকা বুলিয়ে ভাবিছিলো আমি
চিঞৰি চিঞৰি বহুবাৰ মাতিছিলো
জানোছা মাই এবাৰ মাতে।
সঁচাকৈ আমি নাজানো
মৃত্যু কেতিয়া আহে।
দুচকুত আজিও ভাঁহি উঠে
মৰমসনা মাৰ হাঁহি
মৰমৰ মালৈ
জনাও শ্ৰদ্ধাঞ্জলী। ■

# শান্তি

ৰবিতা শইকী
প্ৰথম ষান্মাসি

দিবানে সামান্য শান্তি মনত
ক'তোযে পোৱা নাই এই জগতৰ
তিলতিলকৈ শুহি নিয়া
বিচাৰি ফুৰিছো শান্তিৰ এধানি নিশ্বাস
কত যে পিয়াতুৰ মৰিছে পিয়াহত
কেউপিনে দৌৰিছে পিয়াহৰ আতুৰত
হায় কিয়; হঠাতে নোহোৱা হ'ল শান্তিৰ পোহ
আহিছে কেৱল আন্ধাৰৰ কলিয়া ডাৱৰ
কলিয়া ডাৱৰে ছানি ধৰা এই পৃথিৱীত
কেতিয়াবা আহিবনে পোহৰৰ হাঁহি। ■



# প্ৰেমৰ ৰূপ

শ্ৰীসুখদেৱ সিং
দ্বিতীয় ষান্মাসিক

প্ৰেম যাদুকৰী আখৰৰ বিস্ময়কৰ শব্দ
যাৰ মহিমাৰ নাই আদি অন্ত।
কাৰোবাৰ বাবে ইয়াৰ পথ দুৰ্গম আৰু কাঁইটিয়া
কাৰোবাৰ বাবে ই গোলাপ ফুলৰ দৰেই ধুনীয়া।
হয়তো কাৰোবাৰ বাবে ই হৃদয়ৰ অসহনীয় যাতনা
আন কাৰোবাৰ বাবে কেৱল ই কামনা-বাসনা।
নকৰে কোনেও অনুভৱ যে প্ৰেমৰ অনুভূতি সৰগীয়
নুবুজি এই অনুভূতিক কিয় কৰি তোলে নাৰকীয়।
প্ৰেম কৰা নাযায়। নভৱাকৈয়ে ই হৈ যায়।
মাথো প্ৰেমৰ মধুৰ স্মৃতি হৃদয় নদী হৈ বৈ যায়।
কৰে যিয়ে সঁচা প্ৰেম, তাৰবাবে নহয় ই খেল।
সঁচা প্ৰেমৰ স্মৃতি সজীৱ হৈ অন্তৰত পাতে মেল। ■

# জীৱন সংগ্ৰাম

শ্ৰীবুবুলী নাথ
তৃতীয় ষান্মাসিক

সময়ৰ নদীত পট আঁকি আঁকি
মনবোৰো ভাগি চিগি যায়,
কত বাট হেৰুৱালোঁ
নাপালো কোনো বন্দৰ।
মোৰ বাসনা অপূৰ্ণ ৰ'ল
ভাগি পৰা পঁজাটিৰ,
জীৱন কোবাল নদীত
বহুতো যে ঘাম সৰালো।
সহস্ৰ বাৰিষাৰ উন্মাদনাৰ অভিজ্ঞতাৰে
এটুপি দুটুপি চকুলো সৰে,
দুখতো যেন হাঁহি থাকো
হেৰি তোমাৰ নয়ন।। ■

# অভিমান

শ্ৰীগৌতম নাথ
প্ৰাক্তন ছাত্ৰ

তোমাৰ অভিমানত
সাৰ পাই উঠে
মোৰ নিৰ্লজ মৰম।
হৃদয়ৰ সজা ভাঙি
বগাব খোজে
প্ৰেমৰ উচ্চ শিখৰ।
সামুদ্ৰিক তৰংগৰ দৰে
তোমাৰ অভিমানবোৰত
লেবেজান হয় মোৰ ঠুনুকা মৰমবোৰ।
হেৰা, অভিমানী ..........
সহস্ৰ শতিকাৰ পাছতো
বিচাৰি পাবা
নীলিম আকাশজুৰি
উপঙি ফুৰা
লক্ষ্য তৰাৰ দৰে
মোৰ নিলাজ মৰমবোৰ।
কেৱল
তোমাৰ অভিমানত ........। ■



## ভূপেন মামা লৈ প্ৰাৰ্থনা জনাই —

শ্ৰীপিংকু ডেকা
দ্বিতীয় ষাণ্মাসিক

আহা ভূপেন মামা আহা,
এই জন্মভূমিলৈ আকৌ এবাৰ আহা।
তোমাৰ অবিহনে,
অসমবাসী নিঠৰুৱা হৈ আছে।

তোমাৰ অবিহনে,
লুইতৰ পানী স্থিৰ হৈ আছে।
তোমাৰ অবিহনে,
দীঘলী পুখুৰীৰ পাৰৰ উজ্জলতা কমি গৈছে।

তোমাৰ অবিহনে,
লুইতৰ পাৰৰ নিস্তব্ধ আবেলিবোৰ,
পাৰ হয় কেনেকৈ?
আকৌ এবাৰ আহা এই জন্মভূমিলৈ
ভূপেন মামা ........... ■





## সংগ্ৰামী ভূপেন মামা

শ্ৰীপংকজ ডে
দ্বিতীয় ষাণ্মাসি

তেওঁ চিৰ দিনৰ বাবে গুচি গ'ল
মৰমৰ ভূপেন মামা আজি নাই।
যিয়ে সংগ্ৰাম জাতিক জগাই তুলিছিল।
তেওঁ চিৰদিনৰ বাবে গুচি গ'ল।
যিয়ে সাগৰ সংগ্ৰামতো লীন হৈছিল।
যাৰ বাবে বৈ আছিল সকলো জনতা।
যাক মানুহে মদাৰ ফুলৰ লগত বিজাইছিল।
তেওঁ চিৰদিনৰ বাবে গুচি গ'ল।
যিয়ে এখন নদীক লৈ হেজাৰ হেজাৰ গীত ৰচিছিল
মাতৃভূমিৰ কাৰণে পত্নীক হেৰাইছিল।
যাৰ মনত হিংসা কু-দৃষ্টি নাছিল।
তেওঁ চিৰদিনৰ বাবে গুচি গ'ল।
যাৰ কাৰণে সকলো মানুহে অশ্ৰুধাৰা বোৱাইছি
যাৰ কাৰণে হেজাৰে নোখোৱাকৈ দিন কটাইছি
যাক এপাহ ফুল দিবলৈ তিনিদিনলৈ বৈ আছি
তেওঁ চিৰদিনৰ বাবে গুচি গ'ল।
হে মোৰ অতি শ্ৰদ্ধাৰ মহান শিল্পী
তোমালৈ মোৰ ...... কোটিবাৰ প্ৰণাম। ■



## কাইলৈ দেওবাৰ

ভগীৰথ নাথ
প্ৰাক্তন ছাত্ৰ

কাইলৈ দেওবাৰ,
কাইলৈ তুমি জলীক এৰি যাবা,
এৰি যাবা জলীৰ পৰিয়ালবৰ্গক আৰু
এৰি যাবা বৈ যোৱাবোৰ।

কাইলৈৰ পৰা
আঘোণ মহীয়া চেঁচা কুঁৱলী পৰশত
উমাল কথাৰ আহ্বানবোৰত খিৰিকীৰ বতাহে
চুই যোৱা শিহৰণ আৰু
ব্যাকুল উন্মাদনা,
এৰি যাবা।

কাইলৈ দেওবাৰ,
হাঁহিৰ গিজগিজনিৰে উপলব্ধিৰ এশাৰী মাতত
কোঠালিৰ বাহিৰে-ভিতৰে নেদেখা মমতাৰ প্ৰাচীৰ,
এৰি যাবা।
কাইলৈৰ পৰা
চুটি চুটি গানৰ কলিবোৰত হেঁপাহৰ প্ৰতীক বিচাৰি
গাই শুনোৱা সুৰৰ পানশৈ
এৰি যাবা।

কাইলৈৰ পৰা
অভিমানত নিৰৱতাই গ্ৰাস কৰা ওঠৰ কঁপনিত
কৰিড'ৰৰ মাজমজিয়াত টোপে টোপে সৰা চকুলো,
আবেগ প্ৰচণ্ড জোৱাৰ আৰু
অনুৰাগৰ স্পৰ্শবোৰ,
এৰি যাবা।

কাইলৈৰ পৰা
দীঘলীয়া কথোপকথনৰ অন্তত দিয়া স্বীকাৰোক্তি,
পৱিত্ৰ বাসনাৰ ৰংবোৰৰ ইতিত মূল্যাংকন আৰু
সাধনাৰে সজোৱা ৰমক-জমকীয়া প্ৰেমৰ উদ্যান,
এৰি যাবা।

কাইলৈৰ পৰা
ধেমালিৰ লহপহীয়া আকোঁৰগোজ শব্দবোৰত
মৰমৰ বাৰ্তা কঢ়িওৱা ইমূৰ-সিমূৰৰ সাক্ষীবোৰ আৰু
অনুভৱৰ এখন অভিধান,
এৰি যাবা।

কাইলৈৰ পৰা
সোঁৱৰণীৰ বৌৰতী নদীত প্ৰতিশ্ৰুতিৰ যতনবোৰ,
কালৰ প্ৰহৰী আশা আৰু বিশ্বাস আৰু প্ৰেম বিলাস
এৰি যাবা।

কাইলৈ দেওবাৰ,
কাইলৈ তুমি 'জলী গাৰ্লচ হোষ্টেল'
এৰি যাবা।
এৰি যাবা ন-পুৰণি বাস্তৱ,
এৰি যাবা এটি ঠিকনাৰে গঢ়া বামধেনু। ■

## স্তব্ধ হৈ ৰল আজিৰ মানৱ

পম্পী হাজৰিকা
৩য় ষাণ্মাসিক

কিয় স্তব্ধ হৈ ৰল আজিৰ মানৱ?
যি মানৱৰ হাঁহিৰ খলকনিত আনন্দৰ জোঁৱাৰ উঠিছিল।
কিয় কল্পনাহীন হল সেই মানৱ?
যি সীমাহীন কল্পনাৰ অদ্ভুত জীৱনত মুগ্ধ হৈ পৰিছিল।
কি চাকনৈয়াত পৰিল সেই মানৱ?
যত শান্তি প্ৰেয়সী মানৱৰ আশাবোৰ সমাধি ঘটিল।
কি পথত আগুৱাই গল সেই মানৱ?
যাৰ জীৱন তৰী পৰাৰ আগতেই দেখিলে অন্ধকাৰ পথ।
কি আশাত আৱদ্ধ হল সেই মানৱ?
যিয়ে নহওক সাবটি অন্ধকাৰ পথে গতিমান।
কিয় ৰপোউন্মাদত পৰিল সেই মানৱ?
যিয়ে যুদ্ধ সৃষ্টি কৰি তাণ্ডৱলীলাত মগ্ন হল।
কিয় স্তব্ধ হৈ ৰল আজিৰ মানৱ?
যি অমৃতৰ ভাষাৰে চিৰশান্তি কঢ়িয়াই আনিব বিচাৰিছিল। ■

# মা

শ্রীনিখিল বিশ্বাস
স্নাতক তৃতীয় ষাণ্মাসিক

মা তুমি নাকান্দিবা　　　ময়েই তোমাক দিম
　　জীৱনৰ সুখ শান্তি
মা ময়েই আঁতৰাম　　　য'ত দুখ বেদনা
　　হই তোমাৰ শান্তি প্ৰদীপ
　　মই তোমাৰ কণমানি দীপ।
মা তুমি বাৰু　　　কিয় কান্দি আছা
　　কিহৰ বাবে তেজৰ চকুলো
　　অনৰ্গল প্ৰতি নিশা।
কাৰ কাৰণে তুমি　　　উচুপিব ধৰিছা
　　বুৰাইছা তেজসিক্ত নৈ
　　কপালত লেলিহান শিখা।
মা তোমাৰ আছিল　　　চাৰিটি আনন্দৰ দীপ
　　এজাক নিৰ্মোহ ধুমুহাই
　　নুমুৱাই দিলে বৰদীপ।
　　তোমাৰ কাৰণে মাথো।
জ্বলাব পৰা নাই　　　এগছি মঙ্গল প্ৰদীপ।
মা তোমাৰ যে আছে　　　দুটা উজ্জ্বল দীপ
　　তুলিব যে পৰা নাই
　　সেই দীপে পোহৰাই।
ধনৰ উজ্বলতাত　　　জলক তপক হৈ
　　হয়তো সিহঁতে তোমাক
　　মনিবই পৰা নাই।
মা তুমি নাকান্দিবা　　　ময়েই তোমাক দিম
　　জীৱনৰ সুখ শান্তি
　　মই তোমাৰ কনমানি দীপ।
মা ময়েই আঁতৰাম　　　য'ত দুখ বেদনা
　　হই তোমাৰ শান্তি প্ৰদীপ
　　মই তোমাৰ কনমানি দীপ। ■

# স্বপ্নময় ঠিকনা

শ্ৰীশ্ৰীমন্ত ডে
প্ৰাক্তন ছা

তোমাৰ অবিহনে নিঃসংগ হৈছো মই,
হেৰুৱাইছো মোৰ জীৱনৰ প্ৰতিটো
ভাল লগা বেয়া লগাৰ অনুভৱ
তথাপি,
কোনো অভিমান নাই মোৰ তোমাৰ ওপৰত
কাৰণ....
নিঃসংগতা মোৰ বৰ আপোন।
　　সেইবাবেই হেৰুৱাব নোখোজো
　　মোৰ অতীতৰ স্বপ্নীল সংগ।
　　নিদ্ৰাহীনতাৰ মন্ত্ৰণাৰে পাৰ কৰা
　　প্ৰতিটো নিশাই লৈ ফুৰিছো মই
　　নষ্টালজিৰ হাজাৰ স্তৱক আৰু
　　হৃদয়ত তোমাৰ নীৰৱ উপস্থিতি।
আজি মোৰ জীৱনৰ ঠিকনা বিচাৰি
দিশহাৰা হৈছো।
হৃদয়ৰ যন্ত্ৰণাবোৰ বুকুত সাৱটি
অকলশৰীয়া হৈ ৰ'লো।
যিদৰে হেৰুৱাইছো এদিন মই মোক
তোমাৰ এবুকু প্ৰতিশ্ৰুতি
আৰু
একাঁজলি বিশ্বাসৰ মাজত। ■



# গুড নাইট বনাম মই


ছফিউল্লাহ আহমেদ (বাবু)
স্নাতক ৪ৰ্থ ষাণ্মাসিক

ৰাতিপুৱা তাই মোক
চিঞৰি চিঞৰি 'দেউতা' বুলি মাতিছিল।
মই লাজ পাই গৈছিলো।
যোৱা নিশা গভীৰ অন্ধকাৰত
অকলশৰীয়া হৈ আছিল তাইৰ বন্ধ কোঠাত
আনন্দ মনে শুই আছিল তাই ভ্ৰূক্ষেপহীন হৈ
নিস্তব্ধ পৰিৱেশ!
আনন্দত আত্মহাৰা হৈ পৰিছিলো মই
গুণগুণাই উঠিছিল মোৰ মন পখিটি।
সময়ৰ সৎ ব্যৱহাৰ কৰি
মেল খাই থকা খিৰিকেৰে
নিশব্দে প্ৰৱেশ কৰিছিলো তাইৰ অন্ধকাৰ কোঠাত।
অপৰূপ! অপৰূপ তাইৰ সৌন্দৰ্য
ক'তো ভাঁজ নপৰা সুগঠিত শৰীৰ
ৰঙা পৰা তাইৰ মসৃন গাল দুখনি
পদুমৰ পাহিৰ দৰে কোমল তাইৰ ওঁঠবোৰ
আৰু
ওলাই থকা নাভিস্থলে মোক বৰকৈ আকৰ্ষণ কৰিছিল।
তাইৰ তুলনাতীত ৰূপে
মোৰ হাজাৰ ধৈৰ্যৰ বান্ধ ভাঙি পেলাইছিল,
প্ৰেম নিবেদন কৰিবলৈ বলীয়া হৈছিলো মই।
মই মুগ্ধ হৈ পৰিছিলো তাইৰ ৰূপত।
সকলো বাধা নেওচি
মই আলিংগন কৰিছিলো তাইক,
আঁকি দিছিলো অগণন চুমা তাইৰ দুগালত।
তাই উন্মাদ হৈ পৰিছিল
মোৰ প্ৰেমৰ উপহাৰ লৈ
উচপ খাই উঠিছিল তাই
ধৈৰ্যহীন হৈ পৰিছিল তাইৰ দেহটো।
প্ৰত্যুত্তৰত তাই মোক জনাইছিল প্ৰেমৰ সঁহাৰি
নিস্তব্ধ ৰাতিটো আৰু মধুময় আৰু সুগন্ধিত,
কৰিব বিচাৰিছিল তাই
সেয়েহে তাই জ্বলাইছিল 'গুড নাইট'।
অপূৰ্ব! অপূৰ্ব আছিল সেই সুগন্ধি।
মই অজ্ঞান হৈ পৰিছিলো
প্ৰেমৰ প্ৰতিদানত।
ৰাতিপুৱা দাপোনৰ সন্মুখত থিয় হৈ
তাই নিজৰ ৰূপৰ অনুসন্ধান কৰিছিল
হঠাৎ তাই আৱিষ্কাৰ কৰিছিল মোৰ চুমাৰ প্ৰতীক।
তেতিয়া তাই চিঞৰি চিঞৰি 'দেউতা' বুলি মাতিছিল।
আৰু আক্ষেপেৰে কৈছিল
দেউতা, মোৰ গুড নাইট টিউব শেষ হ'ল
কাইলৈ আনিবা আকৌ
নহ'লে মোৰ মেলেৰীয়া হ'ব।
যোৱা ৰাতি মোৰ গালত মহে কামুৰিলে। ■

# মন সাঁথৰ

শ্ৰীঅজিত মেধি
তৃতীয় ষাণ্মাসিক

ভাল পোৱা এখন নৈৰ নাম
মাথো বয় নিৰবিচ্ছিন্ন গতিৰে
এটি শব্দ মাথো
কুলু কুলু কুলু
নীলা আকাশ আৰু এচাটি মলয়া
বতাহে চুই যায় হিয়া
তুমি নুবুজিবা
কেনেদৰে পাৰ হয় জয়াল ৰাতি
জিয়াঁৰ গগন ফলা চিঞৰ
মাথো সাৰ পাই চোৱা
সাৰ পায়
ছটফটাইছো তীব্ৰ আকাংক্ষাত
তুমি সঁচাই গলানে স্বপ্নৰ
দুৱাৰ ভাঙি ডেউকা কোবায়
মই ঠিক বুজিব পৰা নাই
ঘড়ীৰ কাটাবোৰ টিক টিক কৈ
ৰৈ গৈছেনে মোৰ বুকুৰ
স্পন্দন বাঢ়ি গৈছে
মই ঠিক ধৰিব পৰা নাই
স্বপ্ন গৰাহত নে দিঠকত
তুমি সঁচাই উৰি গ'লানে
মনে সজা বাঁহ এৰি
.......................?
শুকান গছ এজোপা
পাতবোৰ সৰি সৰি
লঠঙা হ'ল
সৰা পাতবোৰৰ
বিকট শব্দ
আকাশলৈ বুলি জুমি চাই
ক'তা ডাৱৰ দেখোন নাই
বৰষুণ এজাকত তিতি
জুৰুলা হ'বলৈ
বৰ মন আছিল
বৰষুণ এজাক পৰা হ'লে
আজিকালি দেউতা
পথাৰলৈ যাব বাদ দিছে
পথাৰখন যে ফাটি
চিৰা-চিৰ হ'ব ধৰিছে
দুখ লাগে কথাবোৰ শুনি
পথাৰত হেনো আজিকালি
ডাঙৰ ডাঙৰ উদ্যোগহে হয়
সিহঁতেই হেনো খেতিয়কৰ
ৰসবোৰ চুহি চুহি খায়
এইবাৰ যদি পথাৰত
খেতিয়ে নহয়
মা মই আৰু দেউতা দেখোন
নাখাই লঘোণে মৰিম। ■






# ভালপোৱাৰ একাঁজলি

সংগীতা দেৱী
প্ৰাক্তন ছাত্ৰী

'প্ৰেম' নামৰ সাঁথৰটোৰ পৰিভাষা বুজাৰ আগতেই
তুমি নিঃশব্দে, আহিছিলা মোৰ জীৱনলৈ
থুপ খাই থকা সপোনবোৰ পাৰ ভাঙি ওলাই আহিছিল
সেন্দুৰীয়া বাটেৰে।
সন্ধিয়াৰ দোমোজাত ভৰি দিয়া নীলাভ শান্ত আকাশখন
মোৰ ভাল লগা হৈছিল
তোমাৰ চকুৰ মিঠা চাৱনিয়ে নজনাকৈ মোক মতলীয়া কৰিছিল
বন্ধুত্বৰ দীঘলীয়া সাঁকোডাল পাৰ হৈ
এদিন আমি প্ৰেমৰ বাটত থিয় দিছিলো
সুৰুযৰ কিৰণৰ মিঠা আবেদনত
চুটি চুটি উশাহবোৰেও মোৰ পৰিচয় সলাইছিল
নতুনৰ প্ৰজ্ঞাক মন্ত্ৰ ভাঁহি আহিছিল
বতাহৰ সুৰত।
কিন্তু হঠাতে প্ৰতিশ্ৰুতিৰে ভৰা তোমাৰ দুহাত
মোৰ বন্ধনৰ পৰা মুকলি কৰি
নেদেখা বাটেৰে তুমি আঁতৰি গ'লা
ছাৰখাৰ হৈ গ'ল আমাৰ প্ৰেমৰ অটব্য অৰণ্য
কিন্তু মোৰ বুকুৰ বালিচৰত
প্ৰেমৰ মুকুতা সিঁচা প্ৰেমিকজনক
মই কিদৰে ঘৃণা কৰো
উকা হৃদয়ত বৰ্ণাভ ফুলেৰে ৰং সিঁচা প্ৰিয়তমক পাহৰো কিদৰে
সেয়ে আজিও জীপাল মোৰ মন পথাৰ।
তোমালৈ বুলি এবুকু মৰমেৰে— ■





# সপোনৰ সন্ধানত

মমীন শইকীয়া

আকাংক্ষিত সপোনৰ সন্ধানত
ওখোৰা-মোখোৰা পথৰ যাত্ৰী মই
পদে পদে খোৱা ঠেকা উজুটিটো
নুমাই যোৱা নাই
সপোনৰ সোণোৱালী চাকি গছি
কৰ্তব্যৰ পথত দায়বদ্ধতাৰে আগবাঢ়োতে
পোৱা প্ৰতিটো অভিজ্ঞতাক
গোলাপৰ কলিৰ দৰে আলফুলকৈ ৰাখোতে।
এজাক অন্ধকাৰ প্ৰবল ধুমুহাত
হেৰাই যায় মোৰ সৃষ্টিৰ পটভূমি
তথাপিও মনত আছে প্ৰবল শক্তি
অন্ধকাৰ নেওঁচি সপোনৰ সন্ধানত
এজাক জোনাকী হৈ আগুৱাই যাবলৈ
হেৰাই যোৱা নাই মোৰ মনৰ প্ৰবল শক্তি
বুকুত আছে তীব্ৰ ইচ্ছা
সেই আকাংক্ষিত সপোন বাস্তৱ কৰাৰ।
বাস্তৱতাৰ পথত ধুমুহাৰ প্ৰবল বেগেৰে
সূৰুযৰ প্ৰখৰ তাপতো হাৰ নামানে।
আজুৰি আনিম এদিন উচ্চশিখৰৰ পৰা
নিজকলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ মই
আকাংক্ষিত সপোন বাস্তৱ কৰাৰ। ■

# মানৱী জীৱন

শ্ৰীজোন্টি দেৱী
প্ৰাক্তন ছাত্ৰী

এয়াই নেকি মানৱী জীৱন
কিবা সুখ, কিবা দুখ
মিশ্ৰিত আৱৰণ।
নালাগে কাহানিও এনে মানৱী জীৱন,
নাই যে তাত কোনো
শান্তিৰ কিৰণ।
যিপিনে চাও, সেইপিনেই দেখো
হিংসা, লুণ্ঠন, ঠগ প্ৰৱঞ্চনা
আৰু যে ক'ত লাঞ্চনা গঞ্জনা
লও যদি কেতিয়াবা পৃথিৱীত
পুনৰ জনম
নিদিবা প্ৰভু মোক
মানৱী জীৱন।
বুজিলো সকলো
জনম লৈ মৰতত
কি সুখ কি দুখ
এই জগতৰ
দুখেৰে উপচি পৰা
প্ৰতিটো পল
নেদেখে অকণমান ক'তো
সুখৰ স্থান।
নুবুজে পৃথিৱীত কোনেও
কাৰো মৰম
পাহৰি যায় সকলো
আছেনেকি কোনোবা আদৰৰ।
মানৱী জনম লৈ হয় মানুহ
পশুতকৈ অধম
সেয়েহে নুবুজে অকণো
মানুহৰ মৰম
নলও নলও এই নিষ্ঠুৰ
মানৱী জনম
কৃপা কৰি দিবা প্ৰভু
আন জীৱন
নিদিলে নালাগে জনম
নকৰো অকনো শোক
তোমাৰ হৃদয়ৰ নিভৃত কোণত
সযতনে ৰাখিবা মোক। ■



# অচিন চৰাই

শ্ৰীসুনিতা ডে
পঞ্চম ষাণ্মাসি

নিশাটো হেলনীয়া হৈ
চকুৰ পতাত আউজি থকাৰ সময়তে
ক্ৰমশঃ নিস্তব্ধ হয় বুকুৰ চৌপাশ
নিস্তব্ধতা ভাঙি অস্থিৰ উচুপনিত
ডুব যোৱাৰ সময়তে
নিজান বাটেদি ভাহি আহে
নিজম নিশাৰ ফেঁচাৰ কুৰুলি
তেনেকুৱা সময়বোৰতে
যেতিয়া বাটৰুৱা কুকুৰৰ উকিৰ ফাঁকেদি
কি জানো চৰাই এটা উৰা মাৰি যায় .....
কাৰ কেঁচা ঘুমটিৰ সুগন্ধি সপোন হেৰায়.....
শূণ্য আকাশত কেনেকৈ বাৰু
তৰাবোৰ মাৰ যায়?
যন্ত্ৰণাৰ বতাহ বলে
হৃদয় গভীৰৰো গভীৰত
কান্দি থাকে
অচিন চৰাই এটি। ■



# দেউতা

দীপক নাথ
প্ৰাক্তন ছাত্ৰ

তুমি দূৰণিৰ পৰা চাই আছানে?
কিদৰে ধুমহাৰ পিছত ধুমুহা গৰকিছো
তথাপি হৈ আছো স্থিতপ্ৰজ্ঞ।
জীৱন চাকনৈয়াৰ লগত মই অভ্যস্ত।
তোমাৰ ঋণৰ ওচৰত নতশিৰ মই।
পাৰিছোনে পাৰিছোনে ল'ব মই
তুমি এৰি যোৱা দায়িত্ববোৰ?
যদিও মোৰ কান্ধখন যথেষ্ট সৰু
মই ভাগৰি পৰা বুলি ভাবিছা নেকি?
তুমিহীন জীৱন বৰ কষ্টদায়ক অ'?
মাৰ উকা কপালখনে বৰকৈ কন্দুৱায়
মোৰ সৰু কলিজাটোৰ ধপধপনি বাঢ়ি জানা
যোৱা পাঁচ বছৰে তুমিটো তৰাৰ দেশৰ বাসিন্দা
শুনিছো মিনা কৰোৱা সপোনেৰে সজোৱা
তাৰ কাবেং হেনো বৰ ধুনীয়া
দেখা পোৱানে বাৰু মোক তাৰ পৰা?
মোক দুৰ্বল বুলি নাভাবিবা
সপোনবোৰ উৰুৱাই দিছো কাহানিবাই
তোমাৰ চকুহালি নেদেখা হ'লে
মইও গুচি গ'লোহেতেন তোমাৰ কাষলৈ।
তোমাক যে চাবলৈ বৰ মন যায়..
মই অতন্দ্ৰ প্ৰহৰী হৈ আছো তোমাৰ সাম্ৰাজ্যৰ
চকুলোৰূপে ওলোৱা এটা এটা শিলেৰে
দুৰ্ভেদ্য তোমাৰ পঁজা।
শৰীৰৰ বিন্দুৱে বিন্দুৱে আছে তোমাৰেই তেজ.. ■



# এমুঠি জোনাক সানি দিম তোমাৰ দুগালত


গৌতম বিষয়া
প্ৰাক্তন ছাত্ৰ

এমুঠি জোনাক সানি দিম,
তোমাৰ দুগালত।
জিলিকি উঠিব তোমাৰ দুগাল
হেঙুলীয়া হ'ব আমাৰ সপোনবোৰ
সঁচাই কৈছো
অবাস্তৱ যেন লাগিলেও,
মই যে তোমাক ভাল পাওঁ
ক'লা আকাশ আকৌ নীলা হ'ব
বৰষাৰ পৰশত নতুনকৈ গজিব
মৰহি যোৱা আমাৰ সপোনবোৰ
সোণাৰু যে হালধীয়া হৈ হাঁহিব
বহাগ হৈ কুলীয়ে কপৌ ফুলে ফুলাব
আৰু সেই বসন্ততে আমাৰ মিলন
তুমি বাৰুকৈয়ে ভয় নকৰিবা
সপোন নেদেখুৱাও যে তোমাক
পুৰ্ণিমাৰ জোন কোলাত আমি দিম
বাস্তৱ নহও যে মই কেতিয়াও
অমনিশা হৈ তোমাৰ বুকুত নামিম
তুমি বাৰুকৈ জানানে,
তোমাৰ অনুপস্থিত মোৰ এই চহৰ শূণ্য
আৰু, তোমাৰ উপস্থিত মোৰ হাঁহিৰ সীমাৰ আঁতৰ
তুমি নদী হৈ, বৈ আহিবা মোৰ বুকুলৈ
আৰু তাৰ ঢৌৱে ঢৌৱে মই উন্মাদ,
জোনাক হৈ নামিবা মোৰ বুকুলৈ
আৰু জোনাকী হৈ গাম তোমাৰ গান
গোলাপ হৈ ফুলিবা মোৰ মনত
আৰু ৰঙা হৈ উপচাম তোমাৰ জীৱন।
সেয়েহে, বিচাৰিছো আজি তোমাক
মোৰ শূণ্যতাৰ জীৱনত
সপোন ৰঙৰ নদী আঁকিবলৈ
তোমাক কাষত। ■

# অনুভূতি

গৌৰী ডেকা
প্ৰাক্তন ছাত্ৰী

সময়ৰ
চাকনৈয়াত অনুভূতিও
অনুভূতিবোৰে
চিন্তাত
যতি পেলাই।
কিন্তু
নিবিড়
মুহূৰ্তত
হৈ
ছন্দ গতিৰে
পুনৰ
উভতি
আহে। ■



# পখিলা আৰু পম্পি

দুৰ্গেশ্বৰ নাথ
স্নাতক প্ৰথম ষান্মাসিক

উৰি উৰি পখিলাই ফুলত পৰে
ফুলত পৰি পখিলাই মৌ পান কৰে
পম্পিয়ে ধৰি পখিলাক দিয়ে উৰুৱাই
পখিলাক ধৰি পম্পিয়ে
বৰ ভাল পায়।।
পাখি দুখনি চিঙি গলে
পম্পিয়ে বৰ দুখ পায়।।
পখিলা দেখিবলৈ বৰ ধুনীয়া
ধৰিলেই তাৰ পাখি এৰা।।
পাখি দুখনি থাকিলেহে
পখিলা হয় ধুনীয়া। ■



# বৰষুণ

প্ৰীতি ডে
প্ৰাক্তন

বৰষুণ হৈ বহু কথাই নামি আহিব খোজে
ধুলিয়ৰী পৰিবেশৰ আৱৰণে বান্ধি
ৰখা জিভাৰ সহযোগিতাত ফুটি উঠে
কিছুমান বিশৃংখল অস্ফুট শব্দ।
বহু কথাই থাকি যায়
তোমাক নোকোৱাকৈ।
বুকুত বাঢ়ি আহে হাহাঁকাৰ কৰা অনুৰাগ
তোমাক ক'ব নোৱাৰা কথাবোৰে
আলফুলে পাহিমেলে গোলাপৰ
সৌন্দৰ্য হৈ।
নিয়ৰতকৈও স্পৰ্শকাতৰ হৈ ধৰা দিয়ে
যেতিয়া তুমি স্থিতি লোৱা
হৃদয়ৰ নিভৃত কোণত।
সুহুৰিয়াই সুহুৰিয়াই নাও কোৱাই যোৱা
ফাগুণৰ বতাহজাকে দি যায়
তোমাৰ শুভ বতৰা। ■





# জীৱন চিত্ৰ

শ্ৰীজ্যোতিপ্ৰভা দেৱী
প্ৰাক্তন ছাত্ৰী

আমি স্বাধীন দেশৰ মানুহ
আমি স্বাধীন।
কিন্তু কিমান স্বাধীন আমি?
এবাৰ চাওচোন
আমাৰ স্বাধীন জীৱন চিত্ৰ
কোনোৱে কান্দিছে যদি
মৃত্যুৰ ভয়ত
কোনোৱা আকৌ
জীয়াই থকাৰ তাড়নাত।
চাৰিওদিশে কেৱল ভয়,
মৃত্যুৰ সংশয়।
বৃটিছৰ শাসন আজি নাই,
শোষণো নাই।
কিন্তু এয়া কাৰ শাসন
কাৰ শোষণ।
যিয়ে কাঢ়িছে আমাৰ স্বাধীনতা,
আমাৰ অধিকাৰ।
চৰকাৰৰ ঘৰত চাকৰি আছে
কিন্তু কৰোতাৰ অভাৱ।
৯০; মাৰ্ক্স আছে
কিন্তু চাকৰি লবলৈ
টকাৰ অভাৱ
ডিগ্ৰী ডিপ্লমাৰোৰ চাগে (এতিয়া)
এৰিবলৈ হ'ল।
শিশুসকল দেশৰ ভৱিষ্যত,
দেশৰ ভৱিষ্যত এতিয়া ফুটপাথত।
যুঁজিছে দৰিদ্ৰতাৰ লগত,
জীৱনৰ আশাত
জীয়াই থকাৰ আশাত
কি যে করুণ, (হৃদয় বিদাৰত)। ■

# নীলা ফুল

মিচ্ মিটু দাস
তৃতীয় সান্মাসিক

কিবা গুণে, কিবা পূণ্য
পালা এই জীৱন।
সুন্দৰ তোমাৰ ৰূপ
অপূৰ্ব বৰণ।
পৰ্বতৰ জীয়ৰী গৌৰীৰ লগত
তুলনা তোমাৰ নাই।
এন্ধাৰ ৰাতিৰ কল্পনাতহে
তোমাৰ তুলনা পায়।
ভোমোৰা আহি তোমাৰ গালত
চুমা দি যায়।
ভোমোৰাক কিয় তুমি
একো কোৱা নাই।
নিঠৰ দেহা তোমাৰ
একো নোকোৱা হায়।
অন্যায় অত্যাচাৰ সহ্য কৰি
থাকা মাথো চাই
মালিনী আহি দিয়ে পানী
মালিনীয়ে নিয়ে চিঠি।
ইমান নিষ্ঠুৰ গৰাকী তোমাৰ
নুবুজে ব্যাথাখিনি। ■



# হৃদয় এখন মৰুভূমি

মৰমী দেৱী
স্নাতক প্ৰথম বাৰ্ষিক

কাৰ বুকুয়ে কান্দে
কাৰ হৃদয়ে হাঁহে
শুনিবলৈ কাৰো আহৰি নাই
শোকাকুল হৃদয়ে
এটা অচিনাকি পথত
অগ্ৰসৰ কৰি জীৱনটোক
কৰি দিলে চুৰমাৰ
বুজাব নোৱাৰা সেই যন্ত্ৰণা
কাক কম কোনে শুনিব
বিষাদৰ অগনি দপদপকৈ জ্বলে
কলিজা জ্বলি হয় চাৰখাৰ
সততাৰ পৰিচয়ে যেন
কাৰো হৃদয় নকৰে স্পৰ্শ
এটা অৰ্থহীন অপযশ
জাপি দিয়া কলংকময় জীৱন
কাকো ক'ব নোৱাৰো খুলি
কাৰণ সকলোৱে চকুত
মই হে পৰিলো পাপী কলংকিনী
তথাপি প্ৰতিবাদ নকৰি
বিষাদৰ এই যন্ত্ৰণা লৈ ক্ষণ গণি
বৈ আছো সত্যৰ জয় হে
পৃথিৱীৰ এই গ্লানিৰ পৰা
মুক্তি পাম বুলি
অতীতক নাযাবা পাহৰি.....।
সেয়েহে আজিয়ো কান্দে হৃদয়ে
অতীতক ৰোমন্থন কৰি
নিৰৱ নিস্তব্ধ এই হৃদয়ে
যন্ত্ৰণাত হৈ পৰে আৰ্তনাদ
প্ৰতাৰণাৰ বলি হৈ
চিঞৰি চিঞৰি কান্দিছে হৃদয়ে
কোনেও নুশুনে এই কান্দোন
কাৰণ হৃদয়খন নিৰৱ নিস্তব্ধ। ■

# সপোন দেখা উচিত নে

মৰমী
স্নাতক প্ৰথম বা

সপোনৰ সাগৰত উটি ভাঁহি
ফুৰিবলৈ মোৰো মন যায়
বাল্যকাল এৰি এটি নতুন
গাভৰু জীৱনত দিলো ভৰি
নানা সুখৰ সপোন ৰচিলো
উলহ মালহেৰে এটা জীৱন
অতিবাহিত কৰিবলৈ সংকল্প ল'লো
নাজানো কেতিয়ানো হেৰাল মোৰ মন
সেউজীয়া বননিৰ মাজত বিচাৰি ল'লো
জিৰাবলৈ এডাল ডাঙৰ গছ
এখন্তেক জিৰাও বুলি বহি ল'লো
সেই ডাঙৰ গছ ডালৰ ছাঁত
গছৰ ছাঁত বহিছিল মিল টোপনিত
দেখিলো নানা ৰঙীন সপোন
হঠাতে এজাক ধুমুহা আহিল
সপোন ভাঙি চিঙি চুৰমাৰ হ'ল
কিয় নিষ্ঠুৰ এই সময়
সুখ কৰি দিয়ে নষ্ট
বুজাব নোৱাৰো যন্ত্ৰণা বুকুত
জীয়াই থকা জানো শ্ৰেষ্ঠ? ■



# সপোন

সেউজপ্ৰিয়া নেওঁগ
৩য় ষাণ্মাসিক

বহুদিনৰ মূৰত
তোমাৰ সতে মোৰ
দেখা দেখি।
খোজত খোজ মিলাই
জীয়াই থকা
মোৰ হৃদয়ৰ ভাষা
বহুদিন মাহ সপ্তাহ
সংগোপনে ৰাখিছো
মোৰ অন্তৰৰ আশা
আহা তুমি আৰু মই
খোজ দিও সময়ৰ বালিত
এই ব্যস্ত পৃথিৱীত
আৰু দাঙি ধৰিম
এই উন্মুক্ত আকাশৰ তলিত
এখন স্নেহ আৰু
মৰমৰ পতাকা। ■

# হৃদয়

সেউজ পিয়া নেওঁগ
৩য় ষাণ্মাসিক

নাজানো হৃদয়ৰ ৰঙ কেনেকুৱা?
হয়তো ৰঙা, নীলা অথবা সেউজীয়া
নাজানো সুখ অথবা দুখৰ
জীৱন অথবা মৃত্যুৰ সংজ্ঞা?
জানো মাত্ৰ
বেদনাৰ হৃদয় পৰশা ভাষা;
প্ৰতাৰণাৰ নিৰৱ আলিংগন
আৰু চকুলোৰ সুকোমল স্পৰ্শ। ■

# এদিন আহিবা হাদুগৰ পাৰলৈ

শ্ৰীনিকুঞ্জ কুমাৰ নাথ
স্নাতক পঞ্চম ষাণ্মাসিক

উৰুঙা বতাহ জাকৰ টুলুঙা ধূলিৰ সৈতে
আহিবা এদিন
কোনোবা এটা ফাগুনৰ
ধূসৰ দুপৰীয়া।
অপেক্ষাৰ অন্তত ধূনীয়া হ'ব সময়
লাহে লাহে আকাশতো
ধৰিব চালি বহুবৰ্ণী ৰামধেনুৱে,
পকৰীয়াৰ পাৰত নবহো দিয়া
হাদুগৰ পাৰতে বহিম।
কৃষ্ণচূড়াৰ ৰঙো নালাগে দিয়া
শিমলুৰ তলতে বহিম।
চাম পবিতৰাৰ
গঁড়, ম'হ, গাহৰিৰ অকৃত্ৰিম খেল।
আৰু পাতিম জীৱনৰ কথা
যন্ত্ৰণাৰ কথা
দুখ আৰু ভোকৰ কথা
আশা আৰু সপোনৰ
কৰিম ভাগ-বতৰা।
সময়বোৰ অতীত হ'ব
গঁড়, ম'হ, গাহৰিবোৰো
সোমাই পৰিব পবিতৰাৰ
ভীষণ অৰণ্যৰ মাজত।
বতাহজাকে ভাষা দিব
বিলখনে সুৰ দিব
আৰু হৃদয়ত পোখা মেলিব
সৃষ্টিৰ এটি সেউজীয়া গান। ■